# নগৰপালিকা কৰাৰোপন অধিনিয়ম, ১৮৮১

## ১৮৮১ৰ অধিনিয়ম সংখ্যা ১১

কিছুমান ক্ষেত্ৰত নগৰ পালিকা কৰ উদ্‌গ্ৰহন নিষিদ্ধ কৰিবলৈ ক্ষমতা দিয়া এখন অধিনিয়ম।

[ ২৫ ফেব্ৰুৱাৰী, ১৮৮১]

প্ৰস্তাৱনা। যিহেতু কিছুমান ক্ষেত্ৰত [1][ৰাজ্য চৰকাৰ] ৰ দ্বাৰা বা সামৰিক, [2][নৌ বাহিনী] [3][বা বায়ু সেনা] সেৱাত থকা ব্যক্তিসকলৰ দ্বাৰা দিব লগীয়া পৌৰ সভা কৰ সমূহৰ উদ্‌গ্ৰহন নিষিদ্ধ কৰিবলৈ [4][ চৰকাৰক ] ক্ষমতা দিয়াটো বিধেয়; সেই বাবে ইয়াক নিম্নলিখিত ভাৱে অধিনিয়মিত কৰা হওক :-

সংক্ষিপ্ত নাম। ১। এই অধিনিয়মখন নগৰ পালিকা কৰাৰোপন অধিনিয়ম, ১৮৮১ বুলি অভিহিত হ'ব।

স্থানীয় বিস্তাৰ। ই [5][১ নবেম্বৰৰ, ১৯৫৬ ৰ অব্যৱহিত পূৰ্ব্বে ৰাজ্য ক্ষেত্ৰসমূহ ভাগ 'খ' ৰাজ্যসমূহত গঠিত হৈছিল।] তাৰ ব্যতিৰেকে সমগ্ৰ ভাৰতব ৰ্ষতে বিস্তাৰিত হব ]।

[6]X X X X X

"নগৰ পালিকা সমিতি" পৰিভাষিত। ২। এই অধিনিয়মত [7][নগৰ পালিকা সমিতি] য়ে সম্প্ৰতি বলবৎ থকা কোনো অধিনিয়মিতিৰ উপবন্ধ সমূহৰ দ্বাৰা বা অধীনত গঠিত কেনো নগৰ পালিকা নিগম বা নগৰ পালিকা আয়ুক্ত সকলৰ কোনো নিকায় অন্তৰ্ভুক্ত কৰে।

কৰ উদ্‌গ্ৰহন কৰা নিষিদ্ধ কৰিবলৈ ক্ষমতা। ১৯৫০ ৰ ৪৬ ১৯৪৭ ৰ ৬২ ১৯৫০ ৰ ৪৫ ৩। সম্প্ৰতি বলবৎ থকা কোনো অধিনিয়মত কোনো কথা থকা স্বত্তেও কেন্দ্ৰীয় চৰকাৰে লিখিত আদেশৰ দ্বাৰা [8][সেনা অধিনিয়ম, ১৯৫০, নৌ সেনা অধিনিয়ম, ১৯৫৭, বা বায়ু সেনা অধিনিয়ম, ১৯৫০ ৰ সাপেক্ষাধীন কোনো ব্যক্তিৰ দ্বাৰা, যি নৌ, সৈনিক বা বায়ু সৈনিক সম্বন্ধীয় অত্যাৱশ্যকীয় কৰ্ত্তব্যৰ কাৰণত কোনো অৱস্থান নগৰ পালিকা সীমাৰ ভিতৰত কৰিবলৈ বাধ্য হয়।] আদায় দিবলগীয়া বিনিৰ্দিষ্ট কৰ কোনো নগৰ পালিকা সমিতিৰ দ্বাৰা উদ্‌গ্ৰহন কৰা নিষিদ্ধ কৰিব পাৰে।

---

১। "চেক্ৰেটৰী অৱ ষ্টেট ফৰ ইণ্ডিয়া ইন কাউন্সিল" ৰ বাবে অনুকূলন আদেশ, ১৯৪৮ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। ১৯৩৪ৰ অধিনিয়ম ৩৫ৰ ধাৰা ২ আৰু অনুসূচী দ্বাৰা অন্তঃস্থাপিত।

৩। ১৯২৭ৰ অধিনিয়ম ১০ৰ ধাৰা ২ আৰু অনুসূচী I ৰ দ্বাৰা অন্তঃস্থাপিত।

৪। "সপৰিষদ মহা ৰাজ্যপাল"ৰ বাবে অনুকূলন আদেশ ১৯৪৮ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

৫। "ভাগ খ ৰাজ্যৰ" বাবে বিধি অনুকূলন (নং ২) আদেশ, ১৯৫৬ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

৬। "আৰু তৎকালেই বলবৎ হব" শব্দ সমূহ ১৯১৪ ৰ অধিনিয়ম ১০ ধাৰা ৩ আৰু অনুসূচী II ৰ দ্বাৰা নিৰসিত।

৭। এই অধিনিয়মৰ প্ৰয়োজনাৰ্থে, ছাউনী অধিনিয়ম, ১৯২৪ (১৯২৪ ৰ ২) ত পৰিভাষিত ৰূপে প্ৰত্যেক ছাউনী বোৰ্ড, নগৰ পালিকা সমিতি বুলি গণ্য কৰা হব, সেই অধিনিয়মৰ ধাৰা ৯৭ দ্ৰষ্টব্য।

৮। ১৯৬০ ৰ অধিনিয়ম ৫৮ ৰ ধাৰা ৩ আৰু অনুসূচী II ৰ দ্বাৰা কিছুমান শব্দৰ বাবে প্ৰতিষ্ঠাপিত।

(১-১০-১৯৬১)

[1]x x x x x

কেন্দ্ৰীয় চৰকাৰে কোনো সদৃশ আদেশৰ দ্বাৰা এনে নিষিদ্ধ কৰণ ৰদ কৰিব পাৰে।

**ৰাজ্য চৰকাৰৰ দ্বাৰা ইয়াৰ ওপৰত কৰ উদ্গ্ৰহন নিষিদ্ধ কৰিবলৈ ক্ষমতা।**

[2][৩ ক। তৎসময় বলবৎ থকা কোনো অধিনিয়মিতিত কোনো কথা থকা স্বত্বেও ৰাজ্য চৰকাৰে লিখিত আদেশৰ দ্বাৰা ৰাজ্য চৰকাৰৰ দ্বাৰা আদায় দিবলগীয়া কোনো বিনির্দিষ্ট কৰ কোনো নগৰ পালিকা সমিতিৰ দ্বাৰা উদ্গ্ৰহন নিষিদ্ধ কৰিব পাৰে আৰু কোনো সদৃশ আদেশৰ দ্বাৰা এনে নিষিদ্ধ কৰণ ৰদ কৰিব পাৰে।

**কেন্দ্ৰীয় চৰকাৰে ধাৰা ৩ ত উল্লিখিত কৰা সমূহ আদায় দিব।**

৪। যিমান দূৰ পৰ্য্যন্ত ধাৰা ৩ৰ অধীনত দিয়া কোনো আদেশ, সেই ধাৰাত [3] x x x উল্লিখিত কোনো ব্যক্তিৰ ওপৰত কোনো কৰ উদ্গ্ৰহন নিষিদ্ধ কৰি বলবৎ হৈ থাকে তেতিয়া [4][কেন্দ্ৰীয় চৰকাৰে] আদেশত উল্লিখিত সেই ধনৰাশি নগৰ পালিকা সমিতিৰ আদায় দিবলৈ দায়ী হব যি অন্যথা এনে ব্যক্তিৰ দ্বাৰা এনে সমিতিৰ আদায় দিবলগীয়া হ'লহেতেন ঃ

পৰন্তু [5][কেন্দ্ৰীয় চৰকাৰে ]কোনো ঘোঁৰাৰ সম্পৰ্কত কোনো ধন ৰাশি আদায় দিবলৈ দায়ী নহব যি এনে ব্যক্তি যি সেৰাৰ হয় সেই সেৰাৰ বিনিয়মাৱলীৰ দ্বাৰা ৰাখিবলৈ বাধ্য ।

**ধাৰা '৩ক'ত উল্লিখিত কৰাৰ সলনি দিবলগীয়া আদায়ৰ পৰিমান।**

৫। যেতিয়ালৈকে [6][ধাৰা ৩ ক]ৰ অধীনত [4][ৰাজ্য চৰকাৰ] ৰ দ্বাৰা দিবলগীয়া কোনো কৰৰ উদ্গ্ৰহন নিষিদ্ধ কৰি দিয়া কোনো আদেশ বলবৎ থাকে তেতিয়া উক্ত [7][ৰাজ্য চৰকাৰ] এনে কৰৰ পৰিবৰ্ত্তে, ৰাজ্য চৰকাৰৰ দ্বাৰা এই মৰ্মে সময়ে সময়ে নিযুক্ত পদাধিকাৰীয়ে সকলো পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সময়ে সময়ে যথোচিত আৰু যুক্তিযুক্ত বুলি নিৰ্দ্ধাৰণ কৰা তেনে ধনৰাশি নগৰ পালিকা সমিতিক আদায় দিবলৈ দায়ী হব ।

**এই অধিনিয়মৰ অধীনত উদ্ভব হোৱা প্ৰশ্ন সমূহৰ সিদ্ধান্ত।**

৬। যেতিয়া এই অধিনিয়মৰ অৰ্থৰ ভিতৰত কোনো কৰ্ত্তব্য সামৰিক [8][নৌ সৈনিক] [9][বা বায়ু সৈনিক] সম্বন্ধীয় কৰ্ত্তব্য হয়নে নহয় সেই সম্পৰ্কে কোনো প্ৰশ্নৰ উত্তৰ হয় তেতিয়া তাৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তই চূড়ান্ত হব । যদি কোনো ব্যক্তি ওপৰোক্ত ভাৱে কোনো নগৰ পালিকা পৰিসীমাৰ ভিতৰত বসবাস কৰিববৈ বাধ্য হয়নে নহয় বা উপৰোক্ত ভাৱে কোনো ঘোঁৰা ৰাখিবলৈ বাধ্য হয়নে নহয় সেই সম্বন্ধে কোনো প্ৰশ্নৰ উত্তৰ হয় তেতিয়া কেন্দ্ৰীয় চৰকাৰে, সময়ে সময়ে, এই মৰ্মে নিযুক্তি দিয়া তেনে প্ৰাধিকাৰীতাৰ ওপৰত দিয়া সিদ্ধান্তই চূড়ান্ত হব ।

---

১। ''বা চেক্ৰেটাৰী অৱ ষ্টেট ফৰ ইণ্ডিয়া ইন কাউন্সিলৰ দ্বাৰা দিব লগীয়া (খ)'' শব্দ সমূহ অনুকূলন আদেশ ১৯৩৭ দ্বাৰা নিৰসিত কৰা হৈছে ।

২। একেই আদেশৰ দ্বাৰা অন্তঃস্থাপিত ।

৩। ''খণ্ড (ক) ৰ'' শব্দসমূহ একেই আদেশৰ দ্বাৰা নিৰসিত কৰা হৈছে ।

৪। ''চেক্ৰেটাৰী অৱ ষ্টেট ফৰ ইণ্ডিয়া ইন কাউন্সিলৰ'' বাবে একেই আদেশৰ অধীনত প্ৰতিষ্ঠাপিত ।

৫। ''উক্ত চেক্ৰেটাৰী অৱ ষ্টেট ইন কাউন্সিলৰ'' বাবে একেই আদেশৰ অধীনত প্ৰতিষ্ঠাপিত ।

৬। ''ধাৰা ৩ৰ '' বাবে একেই আদেশৰ দ্বাৰা প্ৰতিষ্ঠাপিত ।

৭। ''চেক্ৰেটাৰী অৱ ষ্টেট ইন কাউন্সিলৰ'' বাবে একেই আদেশৰ অধীনত প্ৰতিষ্ঠাপিত ।

৮। ১৯৩৪ ৰ অধিনিয়ম ৩৫ৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা অন্তৰ্ভুক্ত ।

৯। ১৯২৭ ৰ অধিনিয়ম ১০ৰ, ধাৰা ২ অনুসূচী । ৰ দ্বাৰা অন্তৰ্ভুক্ত ।